আন্তঃৰাষ্ট্ৰীয়

২০৩৫ চনতে বিশ্বৰ সৰ্ববৃহৎ ধৰ্ম হ’ব পাৰে ইছলাম! খ্ৰীষ্টান ধৰ্মক অতিক্ৰম কৰাৰ সম্ভাৱনা

জনসংখ্যাগত প্ৰক্ষেপণ অনুসৰি, মুছলমান জনসংখ্যা তুলনামূলকভাৱে দ্ৰুতগতিত বৃদ্ধি পোৱাত ২০৩৫ৰ ভিতৰত ইছলামে খ্ৰীষ্টান ধৰ্মক অতিক্ৰম কৰিব পাৰে।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



REPRESENTATIVE IMAGE (SOCIAL MEDIA)

আন্তঃৰাষ্ট্ৰীয়, ১৯ নৱেম্বৰ: আগন্তুক দশকত বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ ধৰ্ম হিচাপে খ্ৰীষ্টান ধৰ্মক অতিক্ৰম কৰিব পাৰে ইছলামে। শেহতীয়া জনসংখ্যাগত প্ৰক্ষেপণ অনুসৰি, ২০৩৫ চনৰ ভিতৰত ইছলাম বিশ্বৰ সৰ্ববৃহৎ ধৰ্মত পৰিণত হোৱাৰ সম্ভাৱনা আছে।

২০২০ৰ পৰা ২০৭০ চনলৈ বিশ্বৰ ধৰ্মীয় জনসংখ্যাৰ পৰিৱৰ্তন বিশ্লেষণ কৰি এই প্ৰক্ষেপণ প্ৰকাশ কৰা হৈছে। গৱেষণাটোত ২০১খন দেশ আৰু অঞ্চলৰ জনসংখ্যা সামৰি লোৱা হৈছে। এই দেশ আৰু অঞ্চলসমূহে বিশ্বৰ মুঠ জনসংখ্যাৰ ৯৯.৯৮ শতাংশক প্ৰতিনিধিত্ব কৰে।

মুছলমান, খ্ৰীষ্টান, হিন্দু, ইহুদী, বৌদ্ধ আৰু ধৰ্মীয় পৰিচয়হীন লোককে ধৰি সাতটা ধৰ্মীয় গোটৰ জনসংখ্যাগত পৰিৱৰ্তন এই গৱেষণাত বিশ্লেষণ কৰা হৈছে। খ্ৰীষ্টান আৰু মুছলমান—উভয় ধৰ্মীয় গোটৰ জনসংখ্যা বৃদ্ধি পাব যদিও মুছলমান জনসংখ্যা তুলনামূলকভাৱে অধিক দ্ৰুতগতিত বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

মহিলাপ্রতি সন্তান জন্মৰ হাৰৰ পাৰ্থক্যক এই বৃদ্ধিৰ অন্যতম কাৰণ বুলি গৱেষণাটোৱে চিহ্নিত কৰিছে। তথ্য অনুসৰি, মুছলমান মহিলাপ্রতি গড়ে ৩.১টা সন্তান জন্মৰ হাৰ আছে। খ্রীষ্টান মহিলাৰ ক্ষেত্রত এই হাৰ ২.৫টা। জনসংখ্যাৰ এটা প্রজন্মৰ স্থান আন এটা প্রজন্মই পূৰণ কৰিবলৈ মহিলাপ্রতি প্রায় ২.১টা সন্তানৰ জন্মহাৰ প্রয়োজন বুলি গৱেষণাটোত উল্লেখ কৰা হৈছে।

প্রাকৃতিক জনসংখ্যা বৃদ্ধিৰ ফলত ২০৭০ চনলৈ মুছলমান জনসংখ্যা ১৬০ কোটি পর্যন্ত বৃদ্ধি পাব পাৰে। একে সময়ছোৱাত খ্রীষ্টান জনসংখ্যা ৭৯.২ কোটি বৃদ্ধি পোৱাৰ প্রক্ষেপণ কৰা হৈছে। ধর্ম পৰিৱর্তনৰ ফলত মুছলমান জনসংখ্যা প্রায় ৮০ লাখ হ্রাস পাব পাৰে যদিও খ্রীষ্টান ধর্মৰ ক্ষেত্রত ১০.৫ কোটি লোকৰ নেট হ্রাস হ'ব পাৰে।

২০৭০ চনলৈ মধ্যপ্রাচ্য আৰু উত্তৰ আফ্রিকা অঞ্চলৰ জনসংখ্যাৰ ৯৫ শতাংশ মুছলমান হ'ব পাৰে বুলিও গৱেষণাটোত কোৱা হৈছে। এছিয়া-পেচিফিক অঞ্চলত মুছলমানৰ সংখ্যা ধর্মীয় পৰিচয়হীন লোকৰ সংখ্যাক অতিক্রম কৰাৰ সম্ভাৱনা আছে। পাকিস্তানত মুছলমান জনসংখ্যা ২০২০ চনৰ ২২.৭ কোটিৰ পৰা ২০৭০ চনত ৪৬.১ কোটিলৈ বৃদ্ধি পাই ইণ্ডোনেছিয়াক অতিক্রম কৰিব পাৰে।

অৱশ্যে এই পৰিসংখ্যা নিশ্চিত ভৱিষ্যদ্বাণী নহয় বুলি গৱেষণাটোত স্পষ্ট কৰা হৈছে। অর্থনৈতিক আৰু সামাজিক পৰিস্থিতি, প্রাকৃতিক দুর্যোগ, যুদ্ধ আৰু ধর্মীয় পৰিচয়ৰ পৰিৱর্তনে ভৱিষ্যতৰ জনসংখ্যাগত ছবিত প্রভাৱ পেলাব পাৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4425/islam-largest-religion-2035-pew-projection